## Assamese

| | |
|---|---|
| **Group Number :** | 10 |
| **Group Id :** | 2268958208 |
| **Group Maximum Duration :** | 60 |
| **Group Minimum Duration :** | 60 |
| **Show Attended Group? :** | No |
| **Edit Attended Group? :** | No |
| **Break time :** | 0 |
| **Group Marks :** | 250 |

## Assamese

| | |
|---|---|
| **Section Id :** | 22689513787 |
| **Section Number :** | 1 |
| **Section type :** | Online |
| **Mandatory or Optional :** | Mandatory |
| **Number of Questions :** | 41 |
| **Number of Questions to be attempted :** | 41 |
| **Section Marks :** | 250 |
| **Maximum Instruction Time :** | 0 |
| **Sub-Section Number :** | 1 |
| **Sub-Section Id :** | 22689527348 |
| **Question Shuffling Allowed :** | No |

**Question Id : 226895667968 Question Type : COMPREHENSION Sub Question Shuffling Allowed : Yes Group Comprehension Questions : No Question Pattern Type : NonMatrix**

**Question Numbers : (486 to 489)**

**তলৰ কথাখিনি সাৱধানে পঢ়ি প্ৰশ্ন নং 1ৰ পৰা 4লৈ উত্তৰ দিয়া :**

**বুৰঞ্জীৰ সাহিত্যিক মূল্য**

বুৰঞ্জীবোৰ সাহিত্যিক গুণ সমৃদ্ধ হৈ উঠাৰ মূলতে হৈছে ইয়াৰ সাহিত্যিক মূল্য। সাহিত্য সৃষ্টি কৰাৰ উদ্দেশ্যে বুৰঞ্জীবিলাক লিখা নাছিল। বুৰঞ্জীৰ উদ্দেশ্য আছিল- যুগ ভিত্তিক ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক দিশৰ তথ্যবোৰ নিৰপেক্ষ দৃষ্টিৰে লিখি ৰাখি ভৱিষ্যতৰ বংশধৰসকলৰ বাবে দি থৈ যোৱা; যাতে পূৰ্ব পুৰুষৰ কৰ্মৰ আদৰ্শৰপৰা প্ৰেৰণা লাভ কৰি উত্তৰ পুৰুষে নিজক গঢ় দিব পাৰে। অন্যহাতেদি আহোম যুগত ৰচনা কৰা এই বুৰঞ্জীসমূহক সাহিত্যিক দৃষ্টিভংগীৰে বিচাৰ কৰিলেও এখন উৎকৃষ্ট আসন দিব পাৰি। বুৰঞ্জী আৰু সাহিত্যৰ অপূৰ্ব সংমিশ্ৰণ এই বুৰঞ্জীবোৰত দেখা যায়। ডঃ সূৰ্যকুমাৰ ভূঞাৰ দ্বাৰা সম্পাদিত প্ৰত্যেকখন বুৰঞ্জীৰ পাতনিত বুৰঞ্জী সাহিত্যৰ বৈচিত্ৰ্য, বৈশিষ্ট্য আৰু বৈজ্ঞানিক মূল্যায়ন সম্পৰ্কে বিশদভাৱে আলোচনা কৰিছে। বুৰঞ্জীবিলাকক সাহিত্যত স্থান দিয়াৰ মূলতে হৈছে ইয়াত বৰ্ণিত ঘটনাৱলীৰ মাজত বৰ্ণিত চৰিত্ৰৰ চাৰিত্ৰিক বৈশিষ্ট্যত এনে কিছুমান সমল নিহিত হৈ আছে, যিবিলাকৰপৰা সমল লৈ কাব্য, নাটক, উপন্যাস আদি ৰচনা কৰিব পাৰি।

দ্বিতীয়তে বুৰঞ্জীৰ গদ্য সাহিত্যিক গুণ সম্পন্ন। বুৰঞ্জী লেখকসকলে বিষয়বস্তু বা প্ৰবন্ধৰ লগত সঙ্গতি ৰাখি উপযুক্ত গদ্য প্ৰয়োগ কৰিছে। ইয়াৰ ভাষা সম্ভ্ৰমসূচক। বুৰঞ্জীৰ ভাষাই সমসাময়িক কথ্যভাষাক প্ৰতিনিধিত্ব কৰিছে। শব্দযোজনা আৰু জতুৱা ঠাঁচৰ ব্যৱহাৰ মন কৰিবলগীয়া। বক্তব্যৰ সৰলতা বৃদ্ধিৰ বাবে উপমা, ৰূপক, পৰোক্ষ উক্তি, সংক্ষিপ্ত উদাহৰণ, চমু প্ৰকাশভঙ্গী, খণ্ডবাক্য, প্ৰবাদ বচন আদিৰ প্ৰয়োগে বুৰঞ্জীৰ ভাষাক ৰসাল কৰি তুলিছে।

বুৰঞ্জীত ঘটনাৱলী লিখোঁতে সাধাৰণতে চন, তাৰিখ আদি উল্লেখ কৰি ঘটনাবিলাক ক্ৰম অনুসৰি লিখা হয় যদিও, এনে ঘটনাৱলী লিখোঁতেও বুৰঞ্জীকাৰ মাজে মাজে কলাসুলভ হৈ পৰে। বুৰঞ্জীৰ ঘটনাৱলীৰ লগত খাপ খোৱাকৈ প্ৰবাদ-বচন, দৃষ্টান্ত, নীতিমূলক উপদেশ মনোৰমকৈ গাঁঠি দিয়াও দেখা যায়, ইবোৰৰ মাজেদি বুৰঞ্জী সাহিত্যৰ ৰস অলংকাৰৰ স্ফোৰণ ঘটিছে বুলিব পাৰি।

অসম বুৰঞ্জীসমূহৰ বিষয়বস্তু নিৰস নহয়, এইবোৰত সেই সময়ৰ সমাজ জীৱনৰ আশা-আকাংক্ষা, আৱেগ -অনুভূতি , আদৰ্শ আদি মানৱীয় ৰসবোধ প্ৰকাশ পাইছে। বুৰঞ্জীৰ ঘটনাৱলী বৰ্ণনা কৰোঁতে কোনো কোনো ঘটনাৰ পটভূমিত আহোম ডা-ডাঙৰীয়াসকলৰ মনৰ কথা কিছুমান উক্তিৰ মাজেদি প্ৰকাশ ঘটিছে। এনেবোৰ উক্তিৰ মাজেদি ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ মানৱীয় অনুভূতি প্ৰকাশ পোৱাৰ লগতে বীৰত্ব, দেশপ্ৰেম আৰু নেতৃত্ব প্ৰকাশ পাইছে।

**Sub questions**

**Question Number : 486 Question Id : 226895667969 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

বুৰঞ্জী ৰচনাৰ মূল উদ্দেশ্য কি আছিল ?

1. সাহিত্য ৰচনা কৰা
2. চন, তাৰিখ আদি উল্লেখ কৰি ঘটনাবিলাক ক্ৰম অনুসৰি লিখা
3. অসমীয়া ভাষাক সুৰক্ষা দিয়া
4. যুগ ভিত্তিক ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক দিশৰ তথ্যবোৰ নিৰপেক্ষ দৃষ্টিৰে লিখি ৰাখি ভৱিষ্যতৰ বংশধৰসকলৰ বাবে দি থৈ যোৱা

**Options :**
2268952589678. 1
2268952589679. 2
2268952589680. 3
2268952589681. 4

**Question Number : 487 Question Id : 226895667970 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

বুৰঞ্জীৰ ভাষা কেনে আছিল ?

1. বাস্তৱ জগত কেন্দ্ৰিক
2. সম্ভ্ৰমসূচক
3. সম্ভ্ৰমসূচক আৰু সমসাময়িক কথ্যভাষাক প্ৰতিনিধিত্ব কৰা
4. ডা-ডাঙৰীয়াসকলৰ ভাষা

**Options :**
2268952589682. 1
2268952589683. 2
2268952589684. 3
2268952589685. 4

**Question Number : 488 Question Id : 226895667971 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

তলৰ কোনটো 'উপমা' অলংকাৰৰ উদাহৰণ?

1. অশ্ৰু মানেই চকুপানী
2. শতৰুক দেখুৱাই  কেতেৰাই মাতিবা  ভিতৰি নেৰিবা বেঠা
3. তোমাৰ বৰফুকনৰ শৰীৰটি যেন সোণা, মুখখনি শূৱৰৰ ঠেনা
4. ৰাজা হলে শত্ৰুক মাৰি-কাটি আপোনাৰ সীমনাক ৰাখিব লাগে, তেবেসে যশ-ধৰ্ম বৃদ্ধি হয়

**Options :**
2268952589686. 1
2268952589687. 2
2268952589688. 3
2268952589689. 4

**Question Number : 489 Question Id : 226895667972 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

বুৰঞ্জীৰ ঘটনাৱলীৰ লগত খাপ খোৱাকৈ প্ৰবাদ-বচন, দৃষ্টান্ত, নীতিমূলক উপদেশ সংলগ্ন কৰাৰ কাৰণ কি?

1. বুৰঞ্জীৰ গদ্য সাহিত্যিক গুণ সম্পন্ন নাছিল।
2. বুৰঞ্জীকাৰসকল কলাসুলভ গুণৰ অধিকাৰী আছিল।
3. অসম বুৰঞ্জীসমূহৰ বিষয়বস্তু নিৰস আছিল।
4. বাস্তৱ জগতৰ সত্য ঘটনা লৈ লিখা বীৰপুৰুষসকলৰ চৰিত্ৰ ৰূপায়ণ কৰা হৈছিল।

**Options :**
2268952589690. 1
2268952589691. 2
2268952589692. 3
2268952589693. 4

| | |
|---|---|
| **Sub-Section Number :** | 2 |
| **Sub-Section Id :** | 22689527349 |
| **Question Shuffling Allowed :** | No |

**Question Id : 226895667973 Question Type : COMPREHENSION Sub Question Shuffling Allowed : Yes Group Comprehension Questions : No Question Pattern Type : NonMatrix**
**Question Numbers : (490 to 493)**

**তলৰ কথাখিনি সাৱধানে পঢ়ি প্ৰশ্ন নং 5ৰ পৰা 8লৈ উত্তৰ দিয়া :**

**ঢুলীয়া নাচ**

লোকনৃত্য আৰু লোকঅভিনয় উভয়ৰে দাবী পূৰণ কৰি অহা ঢুলীয়া নাচ পৰম্পৰাগতভাৱে অতি প্ৰাচীন কালৰেপৰা বৰ্তমানলৈ অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত সমাদৃত হৈ আহিছে। ঢুলীয়া দলে সভা-মেলা, বিয়া-বাৰু আদিৰ প্ৰসংগত নৃত্য গীতসহ ঢোল বজোৱাৰ উপৰিও চাৰ্কাচ, কুষ্টি আদি প্ৰদৰ্শন কৰে আৰু কামৰূপৰ ঢুলীয়া দলে অভিনয়ো দেখুৱায়। অসমীয়া ঢোলৰ পৰম্পৰা অসমীয়া সংগীত কলাৰ সমানেই পুৰণি। আকৃতি আৰু বৈশিষ্ট্যৰ ফালৰপৰা অসমীয়া ঢোলক কেইটিমান শ্ৰেণীত বিভক্ত কৰিব পাৰি।, যেনে: দামা, দামামা, গোমুখ, কহাল, কাহিলি, নাগাৰা, পটহ, ভেৰী, দংকা, ডিণ্ডিম, দুন্দুভি, জয়ঢোল,ৰামভেৰী, দেওঢোল, বৰঢোল, ৰাজাঢোল, মাদল, চুঙাঢোল,দীঘলপেটীঢোল,পাতিঢোল,খাম বা খ্ৰাম, দুমদুম,খং, খুবং, বিহুঢোল ইত্যাদি। ঢোলৰ লগত ভোৰতাল আৰু কালি অপৰিহাৰ্য। স্থান বিশেষে ঢুলীয়া নাচনত মৃদংগ, বাঁহী, দোতাৰা আদিও বজোৱা দেখা যায়। সভাগোৱা ঢুলীয়া একোটি দলত ৬০/৭০ জন শিল্পী থাকে। ৩০/৪০ জন ঢুলীয়া আৰু ২০/২৫ জন তালুৱৈ বা তালবদকে একেলগে তাল বজায়। ১০/১২ জন কালি বাদকেও কালি বজায়। ঢুলীয়া দলৰ শিল্পীসকলৰ শ্ৰেণীবিভাজন এনেদৰে কৰা হয়, যেনে: ঘাই ঢুলীয়া, ঢুলীয়া, বায়ন বা বাইন, তালুৱৈ, ভাউৰীয়া বা ভাৱৰীয়া বা ভাইৰা, আৰিয়াধৰা, কুষ্টি প্ৰদৰ্শনকাৰী ঢুলীয়া, অভিনয় বা ছঙত অংশ গ্ৰহণকাৰী ঢুলীয়া আৰু কালীয়া। সভা গোৱা ঢুলীয়াই বিভিন্ন নৃত্যভংগী প্ৰদৰ্শন কৰাৰ উপৰি বিবিধ গীত-পদো আবৃত্তি কৰে :

আহা আহা আহা আহা। বাপু বলোৰাম আহা আহা

আজিও ঢুলীয়াৰ কাছানা। ববলে নাজানা আহা আহা

অ মূৰত তোলা নাই ফুলে ঐ। অ বাপু বলোৰাম আহা ঐ

অ উজানিত নামৰ ঘৰ। দেখোতে ভয়ঙ্কৰ। কৰতে কাটিলা কুৰা না লই

কি ঐ বেতৰ বান্ধিলা। বান্ধিলা আটি আটি। নাম লম গধূলি পুৱা না লই

দৰঙৰ বৰঢুলীয়াই নৃত্যভংগী প্ৰদৰ্শন কৰাৰ প্ৰসংগত বান্দৰৰ পুতলা নচুৱাই বিদ্ৰূপাত্মক গীত-পদ আবৃত্তি কৰে ঢোলৰ বাদীৰ ছোৱেছেৱে :

দিহা : ডাঙৰ বাপা ঐ ভাল কৰি নাচন দিবি

পদ : চানা বাপা ঐ ভাল কৰি নাচন দিবি

গৰুবাট খোট দি আৰু এটা জুৰবি...............

দৰং, পাতিদৰং আদি অঞ্চলত প্ৰচলিত ঢেপা বা চুঙা ঢুলীয়াই গীত-পদৰ লগত বিভিন্ন নৃত্যভংগী-প্ৰদৰ্শন কৰে। এই নৃত্যভংগীসমূহৰ ভিতৰত 'বোৱনী', 'ৰোৱনী', 'খুটি', 'গড়িয়া', 'সৰকি', 'তঙল মোচৰা', 'উঘা ঘূৰণি', 'ভেকুলি জাঁপ', ' শিয়াল ভুমুকি', 'নেউল ভুমুকি', 'চকোৱা পাক', 'বোন্দা পাক' আদি নাচ উল্লেখযোগ্য। এইবিধ ঢুলীয়াই নাচৰ বিভিন্নতা অনুসৰি ঢোলত বিভিন্ন বাদীৰো সৃষ্টি কৰে; যেনে : দেৱবানী, গোৰবাদী, পাতালবাদী, খৰবাদী, খেদাবাদী, খুন্দবাদী, গলমোচৰাবাদী, নাককটাবাদী, কাণকটাবাদী ইত্যাদি। কামৰূপৰ ঢুলীয়াৰ দৰে দৰঙৰ ঢুলীয়াই অভিনয় বা ছং নেদেখুৱায়।

**Sub questions**

**Question Number : 490 Question Id : 226895667974 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

সভাগোৱা ঢুলীয়া একোটি দলত কিমানজন কালি বাদক থাকে?

1. ৬০/৭০ জন
2. ১০/১২ জন
3. ৩০/৪০ জন
4. ২০/২৫ জন

**Options :**
2268952589694. 1
2268952589695. 2
2268952589696. 3
2268952589697. 4

**Question Number : 491 Question Id : 226895667975 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

তলৰ কোন শ্ৰেণীৰ ঢুলীয়াই  গীত-পদৰ লগতে বিভিন্ন নৃত্যভংগী-প্ৰদৰ্শন কৰে?

1. কামৰূপীয়া দেও ঢুলীয়াই
2. দৰং, পাতিদৰং আদি অঞ্চলত প্ৰচলিত ঢেপা বা চুঙা ঢুলীয়াই
3. বিহু ঢুলীয়াই
4. কালিসকলে

**Options :**
2268952589698. 1
2268952589699. 2
2268952589700. 3
2268952589701. 4

**Question Number : 492 Question Id : 226895667976 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

অসমীয়া ঢোলৰ পৰম্পৰা কিমান পুৰণি ?

1. অসমীয়া সংগীত কলাৰ সমানে পুৰণি
2. আহোমসকলৰ আগমনৰ সমান পুৰণি
3. ইংৰাজসকলৰ আগমনৰ পাছৰ
4. অসমৰ অজনজাতীয় লোকসকলৰ আগমনৰ পাছৰ

**Options :**
2268952589702. 1
2268952589703. 2
2268952589704. 3
2268952589705. 4

**Question Number : 493 Question Id : 226895667977 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

ভাউৰীয়া বা ভাৱৰীয়া বা ভাইৰা কিহৰ শিল্পী?

1. ভাওনাৰ
2. নাটকৰ
3. ঢুলীয়া দলৰ
4. পুতলা নাচৰ

**Options :**
2268952589706. 1
2268952589707. 2
2268952589708. 3
2268952589709. 4

| | |
|---|---|
| **Sub-Section Number :** | 3 |
| **Sub-Section Id :** | 22689527350 |
| **Question Shuffling Allowed :** | No |

**Question Id : 226895667978 Question Type : COMPREHENSION Sub Question Shuffling Allowed : Yes Group Comprehension Questions : No Question Pattern Type : NonMatrix**
**Question Numbers : (494 to 497)**

**তলৰ কথাখিনি সাৱধানে পঢ়ি প্ৰশ্ন নং 9ৰ পৰা 12লৈ উত্তৰ দিয়া :**

**কামৰূপী উপভাষা**

অসমৰ পশ্চিম অঞ্চলত-ধুবুৰীৰপৰা গুৱাহাটীলৈ এই বৃহৎ অঞ্চল এটাত -পশ্চিম অসমীয়া উপভাষা চলে। ইয়াৰ প্ৰধান সুঁতিটো কামৰূপী, সেয়ে আগেয়ে সাধাৰণ মানুহে সমগ্ৰ পশ্চিম অসমীয়া ভাষাটোকে কামৰূপী বুলি উল্লেখ কৰিছিল। কামৰূপী উপভাষাৰ ওপৰত গৱেষণা-গ্ৰন্থ প্ৰণিত হোৱাৰ পিছৰপৰাই কামৰূপী উপভাষাই ভাষাবিজ্ঞানৰ চৰ্চাত এটা মৰ্যাদাপূৰ্ণ স্থান লাভ কৰিছে। ইয়াৰ পাছত কামৰূপী উপভাষাৰ প্ৰতি মানুহৰ আদৰ বাঢ়িবলৈ ধৰিছে। বৰ্তমান ৰাজনৈতিক মানচিত্ৰত কামৰূপ জিলাই এক সংকীৰ্ণ অঞ্চলক বুজালেও নলবাৰী জিলা, বৰপেটা জিলাৰ এলেকা আৰু দৰং জিলাৰ কিছু অঞ্চলৰ উপভাষাকো বহলভাৱে কামৰূপী বুলি জনা যায়।

পশ্চিম অসমীয়া তথা কামৰূপীৰ শব্দভাণ্ডাৰ বৰ চহকী। সেই শব্দবোৰ মান্য অসমীয়াত সোমালে ভাষাটোৰ প্ৰকাশিকা শক্তি বহুত পৰিমাণে বাঢ়িব। অৱশ্যে হেমচন্দ্ৰ বৰুৱাদেৱে বহুত কামৰূপী শব্দক 'হেমকোষ'ত ঠাই দি গৈছে। 'চন্দ্ৰকান্ত অভিধান'তো আন কিছুমান শব্দ সুমুওৱা হৈছে। শেহতীয়াকৈ উলিওৱা সুমন্ত চলিহাৰ 'আধুনিক অসমীয়া শব্দকোষ' আৰু আনন্দ ৰাম বৰুৱা ভাষা কলা আৰু সংস্কৃতি প্ৰতিষ্ঠানে প্ৰস্তুত কৰা 'সামগ্ৰিক অসমীয়া অভিধান'ত আৰু কেইটামান পশ্চিম অসমীয়া তথা কামৰূপী শব্দ অন্তৰ্ভুক্ত কৰা হৈছে। তথাপিও আন কিছুমান শব্দ বাদ পৰি ৰৈছে।

কেৱল অভিধানত ঠাই পালেই শব্দবোৰ বৰ্তি নাথাকে। সৃজনীমূলক লেখাত এনে শব্দবোৰ প্ৰয়োগ নহ'লে এটা সময়ত এনে শব্দবোৰ জন-মানসৰ স্মৃতিৰপৰা হেৰাই যোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। মামণি ৰয়চম গোস্বামী, ভবেন বৰুৱা, বীণা বৰুৱা প্ৰমুখ্যে দুই এক লিখকে তেওঁলোকৰ গল্প, নাট আৰু উপন্যাসত কিছু পৰিমাণে পশ্চিম অসমীয়া শব্দ ব্যৱহাৰ কৰিছে।

পশ্চিম অসম এক বৃহত্তৰ এলেকা হোৱা কাৰণে কিছুমান শব্দৰ আকৌ পশ্চিম অসমৰে অঞ্চলভেদে বেলেগ বেলেগ ৰূপ থকা দেখা যায়। ইয়াত তেনে স্থানীয় ৰূপ অৰ্থাৎ ভেদবোৰ বিকল্প হিচাপে দেখুওৱা হৈছে; বিকল্প ৰূপবিলাকৰ লগত অঞ্চলসমূহৰ নাম যুক্ত কৰা হোৱা নাই। সেই কাম আঞ্চলিক উপভাষাৰ ভেদৰ অধ্যয়ন কৰা সমাজ ভাষাবিজ্ঞানীৰহে, অভিধানকাৰৰ নহয়।

**Sub questions**

**Question Number : 494 Question Id : 226895667979 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

পশ্চিম অসমীয়া উপভাষাৰ আন এটা নাম কি?

1. অসমীয়া ভাষা
2. কামৰূপী উপভাষা
3. উজনি অসমৰ উপভাষা
4. মান্য অসমীয়া ভাষিক ৰূপ

**Options :**
2268952589710. 1
2268952589711. 2
2268952589712. 3
2268952589713. 4

**Question Number : 495 Question Id : 226895667980 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

কামৰূপী উপভাষাৰ প্ৰতি মানুহৰ আদৰ কেতিয়াৰ পৰা বাঢ়িবলৈ ধৰিছে?

1. কামৰূপী উপভাষাৰ বিষয়ে গৱেষণা গ্ৰন্থ প্ৰণিত হোৱাৰ পাছৰপৰা
2. হেমচন্দ্ৰ বৰুৱাৰ 'হেমকোষ' প্ৰকাশ হোৱাৰ পাছত
3. কামৰূপী উপভাষাত গল্প, নাটক, উপন্যাস প্ৰকাশ পোৱাৰ পাছত
4. কামৰূপী উপভাষাৰ জন্মৰ পাছৰে পৰাই

**Options :**
2268952589714. 1
2268952589715. 2
2268952589716. 3
2268952589717. 4

**Question Number : 496 Question Id : 226895667981 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

কামৰূপী উপভাষা বুলি ক'লে তলৰ কোনটোক বুজায় ?

1. বৰ্তমানৰ ৰাজনৈতিক মানচিত্ৰৰ 'কামৰূপ' জিলাত প্ৰচলিত উপভাষাক
2. অসম ৰাজ্যত প্ৰচলিত অসমীয়া ভাষাৰ লিখিত ৰূপক
3. কেৱল বৰ্তমানৰ কামৰূপ, নলবাৰী, বৰপেটা জিলাৰ কথিত ৰূপক
4. বৰ্তমানৰ কামৰূপ, নলবাৰী, বৰপেটা জিলাৰ লগতে দৰং জিলাৰ কিছু অংশত প্ৰচলিত উপভাষাক

**Options :**
2268952589718. 1
2268952589719. 2
2268952589720. 3
2268952589721. 4

**Question Number : 497 Question Id : 226895667982 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

কিছুমান শব্দৰ পশ্চিম অসমৰে অঞ্চলভেদে বেলেগ বেলেগ ৰূপ থকা দেখা যায়। কিয়নো-

1. আঞ্চলিক উপ-ভাষাৰ ভেদৰ অধ্যয়ন কৰা সমাজ ভাষাবিজ্ঞানীৰহে কাম, অভিধানকাৰৰ নহয়
2. পশ্চিম অসমত জনবসতি ঘন
3. পশ্চিম অসম এক বৃহত্তৰ এলেকা
4. পশ্চিম অসমত যথেষ্ট পৰিমাণে সাহিত্য ৰচনা হৈছে

**Options :**
2268952589722. 1
2268952589723. 2
2268952589724. 3
2268952589725. 4

| | |
|---|---|
| **Sub-Section Number :** | 4 |
| **Sub-Section Id :** | 22689527351 |
| **Question Shuffling Allowed :** | Yes |

**Question Number : 498 Question Id : 226895667983 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

তলৰ শব্দবোৰ কেনেদৰে ক্ৰম অনুসৰি সজালে খণ্ডবাক্যটো অৰ্থবহভাবে সম্পূৰ্ণ হ'ব?

(A). জীওঁ

(B). আধিকৈ

(C). সো

(D). মৰোঁ

শুদ্ধ ক্ৰমটো হৈছে:

1. (A), (B), (C), (D).
2. (A), (D), (C), (B).
3. (D), (A), (B), (C).
4. (D), (A), (C), (B).

**Options :**

2268952589726. 1
2268952589727. 2
2268952589728. 3
2268952589729. 4

**Question Number : 499 Question Id : 226895667984 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

তলৰ শব্দবোৰ কেনেদৰে ক্ৰম অনুসৰি সজালে খণ্ডবাক্যটো অৰ্থবহভাবে সম্পূৰ্ণ হ'ব?

(A). সাৰে

(B). হাতত

(C). সাৰে

(D). ভৰিত

শুদ্ধ ক্ৰমটো হৈছে:

1. (A), (B), (C), (D).
2. (D), (B), (A), (C).
3. (B), (A), (D), (C).
4. (C), (B), (D), (A).

**Options :**
2268952589730. 1
2268952589731. 2
2268952589732. 3
2268952589733. 4

**Question Number : 500 Question Id : 226895667985 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

ক্ৰম অনুসৰি সজাই বাক্যটো সম্পূৰ্ণ কৰাঁ:

(A) অশ্ৰদ্ধাযুক্ত মন লৈ

(B) শ্ৰদ্ধাৰে দান কৰিবা

(C) এনেভাৱে দান কৰা-নকৰা সমান

(D) নিদিলে নহয়

শুদ্ধ ক্ৰমটো হৈছে:

1. (B), (A), (D), (C).
2. (B), (C), (D), (A).
3. (B), (D), (A), (C).
4. (A), (C), (D), (B).

**Options :**
2268952589734. 1
2268952589735. 2
2268952589736. 3
2268952589737. 4

**Question Number : 501 Question Id : 226895667986 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**

**Correct Marks : 5 Wrong Marks : 1**

তলৰ শাৰীসমূহ ক্ৰম অনুসৰি সজাই কবিতাফাকি সম্পূৰ্ণ কৰাঁ :

(A). এই কথাটোকে কিমানবাৰ যে ক'লোঁ

(B). মই জানো কোনো নাহে

(C). মই জানো মই নাহোঁ

(D). মাথোন এই পৃথিৱীখনক ভাল পাই গ'লোঁ

শুদ্ধ ক্ৰমটো হৈছে:

1. (A), (D), (B), (C).
2. (A), (B), (C), (D).
3. (C), (B), (D), (A).
4. (A), (C), (B), (D).

**Options :**
2268952589738. 1
2268952589739. 2
2268952589740. 3
2268952589741. 4

**Question Number : 502 Question Id : 226895667987 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

ক্ৰম অনুসৰি সজাই বাক্যটো সম্পূৰ্ণ কৰাঁ:

(A). তিৰোতা মানুহৰ যে মাহেকীয়া হয়

(B). বা জীৱাণুও জড়িত নাথাকে

(C). তাৰ লগত কোনো অণুজীৱ

(D). সেইটো কোনো ৰোগ নহয়

শুদ্ধ ক্ৰমটো হৈছে:

1. (A), (C), (B), (D).
2. (A), (B), (D), (C).
3. (B), (A), (D), (C).
4. (A), (D), (C), (B).

**Options :**
2268952589742. 1
2268952589743. 2
2268952589744. 3
2268952589745. 4

**Question Number : 503 Question Id : 226895667988 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

**স্তম্ভ 'I'** ৰ সৈতে **স্তম্ভ 'II'** মিলোৱাঁ

| **স্তম্ভ I** | **স্তম্ভ II** |
| --- | --- |
| A. অলকানন্দা | I. নিৰ্মলপ্ৰভা বৰদলৈ |
| B. বনফৰিঙৰ ৰং | II. কেশৱ মহন্ত |
| C. ৰাৱণ | III. নলিনীবালা দেৱী |
| D. আমাৰ পৃথিৱী | IV. নৱকান্ত বৰুৱা |

তলত দিয়া বিকল্পসমূহৰপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ:

1. A -II , B -I , C -IV , D -III
2. A -III , B -I , C -IV , D -II
3. A -III , B -I , C -II , D -IV
4. A -II , B -III , C -IV , D -I

**Options :**
2268952589746. 1
2268952589747. 2
2268952589748. 3
2268952589749. 4

**Question Number : 504 Question Id : 226895667989 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

**স্তম্ভ 'I'** ৰ সৈতে **স্তম্ভ 'II'** মিলোৱাঁ

| **স্তম্ভ I** | **স্তম্ভ II** |
| --- | --- |
| A. গা টঙা | I. সাধাৰণ |
| B. গা এৰা দিয়া | II. আওকাণ কৰা |
| C. এলা পেচা | III.মনোযোগ নিদিয়া |
| D. পিঠি দিয়া | IV. সুস্থ হৈ উঠা |

তলত দিয়া বিকল্পসমূহৰপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ:

1. A -I , B -II , C -III , D -IV
2. A -IV , B -III , C - II, D -I
3. A - IV, B -III , C -I , D -II
4. A - II, B -III , C - IV, D -I

**Options :**
2268952589750. 1
2268952589751. 2
2268952589752. 3
2268952589753. 4

**Question Number : 505 Question Id : 226895667990 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

স্তম্ভ 'I' ৰ সৈতে স্তম্ভ 'II' মিলোৱাঁ

| স্তম্ভ I | স্তম্ভ II |
|---|---|
| A. অনা- | I. কৃৎ প্ৰত্যয় |
| B. -উৱা | II. প্ৰাতিপদিক |
| C. অনি | III. পূৰ্ব প্ৰত্যয় |
| D. সাধু | IV. তদ্ধিৎ প্ৰত্যয় |

তলত দিয়া বিকল্পসমূহৰপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ:

1. A -IV , B -III , C -II , D -I
2. A -II , B -III , C - IV, D -I
3. A -III , B -I , C -IV , D -II
4. A -III , B -I , C - II, D -IV

**Options :**
2268952589754. 1
2268952589755. 2
2268952589756. 3
2268952589757. 4

**Question Number : 506 Question Id : 226895667991 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

স্তম্ভ 'I' ৰ সৈতে স্তম্ভ 'II' মিলোৱাঁ

| স্তম্ভ I | স্তম্ভ II |
|---|---|
| A. -এ | I. কৰণ কাৰক |
| B. ৰে | II. অনুপদ |
| C. লৈ | III. অধিকৰণ কাৰক |
| D. পৰা | IV. নিমিত্ত |

তলত দিয়া বিকল্পসমূহৰপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ:

1. A - II, B -I , C -IV , D -III
2. A -IV , B -III , C -I , D -II
3. A -III , B -I , C -IV , D -II
4. A -II , B -IV , C -III , D -I

**Options :**
2268952589758. 1
2268952589759. 2
2268952589760. 3
2268952589761. 4

**Question Number : 507 Question Id : 226895667992 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

**স্তম্ভ 'I'** ৰ সৈতে **স্তম্ভ 'II'** মিলোৱাঁ

| **স্তম্ভ I** | **স্তম্ভ II** |
|---|---|
| A. জাংফাই জোনাক | I. চতুৰংগ |
| B. গঙা চিলনীৰ পাখি | II. জাহ্নু বৰুৱা |
| C. অপৰাজেয় | III. সঞ্জীৱ সভাপণ্ডিত |
| D. অপৰূপা | IV.পদুম বৰুৱা |

তলত দিয়া বিকল্পসমূহৰপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ:

1. A -II , B -I , C -IV , D -III
2. A - III, B - I, C -II , D -IV
3. A -II , B -III , C -I , D -IV
4. A -III , B -IV , C -I , D -II

**Options :**
2268952589762. 1
2268952589763. 2
2268952589764. 3
2268952589765. 4

**Question Number : 508 Question Id : 226895667993 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

যৌক্তিক সাদৃশ্যৰ আধাৰত মিল থকা থুল দুটা নিৰ্ণয় কৰাঁ :

A. 'কপিলীপৰীয়া সাধু' আৰু 'মানুহ আটাইবোৰ দ্বীপ'

B. 'উষ্ণ প্ৰবাহ' আৰু 'শব্দ, নিৰন্তৰ শব্দ'

C. 'ভত উকাৰে ভু' আৰু 'আখৰৰ জখলা'

D. 'ওমলা ঘৰ' আৰু 'মা আমি শদিয়ালৈ যামেই'

তলৰ বিকল্পসমূহৰপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ :

1. A আৰু C
2. B আৰু D
3. C আৰু D
4. A আৰু D

**Options :**
2268952589766. 1
2268952589767. 2
2268952589768. 3
2268952589769. 4

**Question Number : 509 Question Id : 226895667994 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

যৌক্তিক সাদৃশ্যৰ আধাৰত মিল থকা থুল দুটা নিৰ্ণয় কৰাঁ :

A. 'কাঠমিস্ত্রীৰ ঘৰ' আৰু ধীৰেন্দ্ৰ চন্দ্ৰ দত্ত

B. 'মিলন' আৰু নলিনীবালা দেৱী

C. 'উভতি নহাৰ বাটেৰে' আৰু মফিজুদ্দিন আহমদ হাজৰিকা

D. 'কৰুণতম' আৰু নৱকান্ত বৰুৱা

তলৰ বিকল্পসমূহৰপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ :

1. D আৰু A
2. C আৰু B
3. C আৰু D
4. A আৰু B

**Options :**
2268952589770. 1
2268952589771. 2
2268952589772. 3
2268952589773. 4

**Question Number : 510 Question Id : 226895667995 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

যৌক্তিক সাদৃশ্যৰ আধাৰত শুদ্ধ থুল দুটা নিৰ্ণয় কৰাঁ :

A. 'আধুনিকতাবাদী ধাৰা' আৰু ৰঘুনাথ চৌধাৰী

B. 'অতিন্দ্ৰীয়বাদী ধাৰা' আৰু নলিনীবালা দেৱী

C. 'প্ৰগতিবাদী ধাৰা' আৰু ধীৰেন্দ্ৰ চন্দ্ৰ দত্ত

D. 'ব্যংগাত্মক ধাৰা' আৰু কেশৱ মহন্ত

তলৰ বিকল্পসমূহৰপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ :

1. A আৰু B
2. A আৰু D
3. B আৰু C
4. C আৰু D

**Options :**
2268952589774. 1
2268952589775. 2
2268952589776. 3
2268952589777. 4

**Question Number : 511 Question Id : 226895667996 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

যৌক্তিক সাদৃশ্যৰ আধাৰত শুদ্ধ থুল দুটা নিৰ্ণয় কৰাঁ :

A. আউল লাগ, দুৱাৰ মাৰ

B. ঊনৈশত বিশ বলা, আমঠুৰ অন্তৰ

C. উৰুলি টেঙা, নগুৰ-নেগুৰ

D. অজীণ পাতকী, চকু চৰহা

তলৰ বিকল্পসমূহৰপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ :

1. A আৰু B
2. A আৰু D
3. B আৰু C
4. B আৰু D

**Options :**
2268952589778. 1
2268952589779. 2
2268952589780. 3
2268952589781. 4

**Question Number : 512 Question Id : 226895667997 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

যৌক্তিক সাদৃশ্যৰ আধাৰত অৰ্থগত মিল থকা থুল দুটা নিৰ্ণয় কৰাঁ :

A. চেলেকি খোৱা বস্তু আৰু চোবাই খোৱা বস্তু

B. পেয় আৰু লেহ্য

C. পেয় আৰু চৰ্ব্য

D. লেহ্য আৰু চৰ্ব্য

তলৰ বিকল্পসমূহৰপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ :

1. A আৰু B
2. A আৰু D
3. B আৰু C
4. B আৰু D

**Options :**
2268952589782. 1
2268952589783. 2
2268952589784. 3
2268952589785. 4

**Question Number : 513 Question Id : 226895667998 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

তলৰ শব্দ-গোটসমূহৰপৰা শুদ্ধ শব্দসমূহ বাছি এটা অৰ্থপূৰ্ণ বাক্য হোৱাকৈ খালী ঠাই পূৰ কৰাঁ:

........................ৰ লগত ........................ পোৰা যোৱাতকৈ তুলসীৰ লগত .................ৰ ................ হোৱাই ভাল।

A. আলু, খেতি

B. কচু, কচুৰনী

C. উলু, বগৰী

D. কলপটুৱা, মুক্তি

তলৰ বিকল্পসমূহৰপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ:

1. A আৰু B
2. B আৰু C
3. A আৰু D
4. C আৰু D

**Options :**
2268952589786. 1
2268952589787. 2
2268952589788. 3
2268952589789. 4

**Question Number : 514 Question Id : 226895667999 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

ক্ৰম অনুসৰি সজোৱাঁ

A. কাকিনী

B. আগ

C. যেন

D. তামোলৰ

তলৰ বিকল্পসমূহৰপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ :

1. A, B, C, D
2. D, B, C. A
3. A, D, B, C
4. A, C, D, B

**Options :**
2268952589790. 1
2268952589791. 2
2268952589792. 3
2268952589793. 4

**Question Number : 515 Question Id : 226895668000 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

তলৰ শব্দগোটসমূহৰপৰা শুদ্ধ শব্দসমূহ বাছি খালী ঠাই পূৰ কৰি অসমীয়া ফকৰাটো সম্পূৰ্ণ কৰাঁ:

................ৰ তিতা ............. পাৰি

...............ৰ তিতা ............ নোৱাৰি

A. ভাত, খাব

B. গীত, শুনিব

C. ভাত, দিব

D. মাত, সহিব

তলত দিয়া বিকল্পসমূহৰপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ:

1. A আৰু B
2. A আৰু C
3. B আৰু C
4. A আৰু D

**Options :**
2268952589794. 1
2268952589795. 2
2268952589796. 3
2268952589797. 4

**Question Number : 516 Question Id : 226895668001 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

তলৰ শব্দ-গোটসমূহৰপৰা শুদ্ধ শব্দসমূহ বাছি খালী ঠাই পূৰ কৰি অসমীয়া ফকৰাটো সম্পূৰ্ণ কৰাঁ:

বান্দীয়ে ভাঙিলে কতৰা .......................পালেগৈ ...................
ঘৈণীয়ে ভাঙিলে ...................... থ'লে মিচিকিয়াই .........................

A. গড়গাঁও, বতৰা

B. গুৱাহাটী, ৰতনা

C. কাঁহী, হাঁহি

D. বাতি, হাঁহি

তলৰ বিকল্পসমূহৰপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ :

1. A আৰু D
2. B আৰু C
3. A আৰু C
4. D আৰু B

**Options :**
2268952589798. 1
2268952589799. 2
2268952589800. 3
2268952589801. 4

**Question Number : 517 Question Id : 226895668002 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

ক্ৰম অনুসৰি সজোৱাঁ:

A. মেলিলে মন

B. বান্ধিলে মন

C. ঘোঁৰাৰ চুটি

D. শিলৰ খুঁটি

তলৰ বিকল্পসমূহৰপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ:

1. A, D, B, C
2. B, C, A, D
3. D, A, C, B
4. A, C, B, D

**Options :**
2268952589802. 1
2268952589803. 2
2268952589804. 3
2268952589805. 4

**Question Number : 518 Question Id : 226895668003 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

তলৰ শব্দ-গোটসমূহৰপৰা কোনবোৰ শব্দ উপযুক্ত স্থানত বহুৱালে অসমীয়া ফকৰা-যোজনাযুক্ত বাক্যটো অৰ্থপূৰ্ণভাৱে সম্পূৰ্ণ হ'ব ?

খণ্ডত................ কাটি ..............লৈ শুকনি খোৱাৰ কোনো প্ৰয়োজন নাই, কাৰণ ............ ভালেই জগত ................।

A. হাত, বছৰ

B. পেট, ছমাহলৈ

C. আপোন, ভাল

D. আপোনালোকৰ, ভাল

তলৰ বিকল্পসমূহৰপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ:

1. A আৰু C
2. B আৰু C
3. A আৰু D
4. B আৰু D

**Options :**
2268952589806. 1
2268952589807. 2
2268952589808. 3
2268952589809. 4

**Question Number : 519 Question Id : 226895668004 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

ক্ৰম অনুসৰি সজোৱাঁ:

A. লাও চাই

B. জিকা চাই

C. জেং

D. হেঁদালি

তলৰ বিকল্পসমূহৰপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ:

1. C, A, D, B
2. D, A, C, B
3. A, C, B, D
4. A, D, B, C

**Options :**
2268952589810. 1
2268952589811. 2
2268952589812. 3
2268952589813. 4

**Question Number : 520 Question Id : 226895668005 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

তলৰ শব্দ-গোটসমূহৰপৰা কোনবোৰ শুদ্ধ শব্দ উপযুক্ত স্থানত বহুৱালে ফকৰা-যোজনাটো সম্পূৰ্ণ হ'ব ?

.............. হ'লে ....................বায়, .............. হ'লে ...................ও নাই।

A. ৰাতি, সাতহাল

B. ৰাতি, এহাল

C. পুৱা, সাতহাল

D. পুৱা, এহাল

তলৰ বিকল্পসমূহৰপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ :

1. A আৰু C
2. B আৰু C
3. D আৰু C
4. A আৰু D

**Options :**
2268952589814. 1
2268952589815. 2
2268952589816. 3
2268952589817. 4

**Question Number : 521 Question Id : 226895668006 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

গোমোস্তা - শব্দৰ অৰ্থ হৈছে :

1. খনিকৰ
2. এমাডিমা
3. সৰ্ব-ব্যাপী
4. দোকানৰ হিচাপ পত্ৰ ৰখা কৰ্মচাৰী

**Options :**
2268952589818. 1
2268952589819. 2
2268952589820. 3
2268952589821. 4

**Question Number : 522 Question Id : 226895668007 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

১৯৩০ চনৰ  অসম সাহিত্য সভাৰ অধিৱেশন অনুষ্ঠিত হৈছিল :

1. শিৱসাগৰত
2. গুৱাহাটীত
3. গোলাঘাটত
4. মৰিগাঁৱত

**Options :**
2268952589822. 1
2268952589823. 2
2268952589824. 3
2268952589825. 4

**Question Number : 523 Question Id : 226895668008 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

মাধৱদেৱে ৰচনা কৰা বৰগীতৰ সংখ্যা হ'ল :

1. ১৬২টা
2. ১৫৬টা
3. ১২০টা
4. ১৫৭টা

**Options :**
2268952589826. 1
2268952589827. 2
2268952589828. 3
2268952589829. 4

**Question Number : 524 Question Id : 226895668009 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

পদাৰ্থ কণা-ত্বৰক হৈছে-

1. শিশুৰ ৰোগ প্ৰতিৰোধৰ এবিধ বিশেষ ছিটা
2. পদাৰ্থৰ ক্ষুদ্ৰতম কণাসমূহৰ বেগ বঢ়াই দিয়া যন্ত্ৰ বিশেষ
3. কাৰ্য কাৰক সম্পৰ্ক
4. এখন আলোচনীৰ নাম

**Options :**
2268952589830. 1
2268952589831. 2
2268952589832. 3
2268952589833. 4

**Question Number : 525 Question Id : 226895668010 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

'তামীঘৰা' শব্দৰ অৰ্থ হৈছে-

1. মন্ত্ৰ
2. অস্ত্ৰ
3. তম্বু
4. সুগন্ধ

**Options :**
2268952589834. 1
2268952589835. 2
2268952589836. 3
2268952589837. 4

**Question Number : 526 Question Id : 226895668011 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

তলত দুটা বক্তব্য দিয়া আছে। এটা উক্তি আনটো যুক্তি।

উক্তি 'ক': প্ৰত্যক্ষ উক্তিৰ কথা যদি চিৰন্তন সত্য অথবা কোনো ঐতিহাসিক সত্য হয় তেন্তে মূল ক্ৰিয়া অতীত কালৰ হ'লেও পৰোক্ষ উক্তিত ক্ৰিয়া বৰ্তমান কালৰে হ'ব।

যুক্তি 'খ': প্ৰত্যক্ষ উক্তিত বক্তাই বা কৰ্তাই নিজে কোৱা কথাৰ কৰ্তাই যাক বুজায়; পৰোক্ষ উক্তিত সেই কৰ্তাই হয়।

ওপৰৰ বক্তব্য দুটিৰ আধাৰত তলৰ কোনটো শুদ্ধ নিৰ্ণয় কৰা।

1. 'ক' আৰু 'খ' দুয়োটাই শুদ্ধ আৰু 'খ' হৈছে 'ক'ৰ শুদ্ধ ব্যাখ্যা
2. 'ক' আৰু 'খ' দুয়োটাই শুদ্ধ কিন্তু 'খ' 'ক'ৰ শুদ্ধ ব্যাখ্যা নহয়
3. 'ক' শুদ্ধ আৰু 'খ' অশুদ্ধ
4. 'ক' অশুদ্ধ আৰু 'খ' শুদ্ধ

**Options :**
2268952589838. 1
2268952589839. 2
2268952589840. 3
2268952589841. 4

**Question Number : 527 Question Id : 226895668012 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

তলত দুটা বক্তব্য দিয়া আছে। এটা উক্তি আনটো যুক্তি।

উক্তি 'ক': সম্বন্ধবাচক নাম শব্দবোৰত পোনে পোনে কাৰক-বিভক্তি যোগ কৰি বাক্যৰ উপযোগী পদ হিচাপে ব্যৱহাৰ কৰিব পাৰি।

যুক্তি 'খ': সম্বন্ধবাচক নাম শব্দবোৰ পদ হিচাপে ব্যৱহাৰ হ'বলৈ হ'লে প্ৰথমতে কেইটামান নিৰ্দিষ্ট প্ৰত্যয় যোগ কৰিব লাগিব, তাৰ পাছতহে কাৰকবাচক বিভক্তি যোগ কৰি বাক্যৰ উপযোগী পদ হিচাপে ব্যৱহাৰ কৰিব পাৰি।

ওপৰৰ বক্তব্য দুটিৰ আধাৰত তলৰ কোনটো শুদ্ধ নিৰ্ণয় কৰাঁ।

1. 'ক' আৰু 'খ' দুয়োটাই শুদ্ধ আৰু 'খ' হৈছে 'ক'ৰ শুদ্ধ ব্যাখ্যা
2. 'ক' আৰু 'খ' দুয়োটাই শুদ্ধ কিন্তু 'খ' 'ক'ৰ শুদ্ধ ব্যাখ্যা নহয়
3. 'ক' শুদ্ধ, 'খ' অশুদ্ধ
4. 'ক' অশুদ্ধ, 'খ' শুদ্ধ

**Options :**

2268952589842. 1

2268952589843. 2

2268952589844. 3

2268952589845. 4

**Question Number : 528 Question Id : 226895668013 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**

**Correct Marks : 5 Wrong Marks : 1**

**স্তম্ভ 'I'** ৰ সৈতে **স্তম্ভ 'II'** মিলোৱাঁ:

| **স্তম্ভ I** | **স্তম্ভ II** |
|---|---|
| A. কৃতঘ্ন | I. গোপন |
| B. আবাহন | II. প্ৰবাসী |
| C. বিদেশী | III কৃতজ্ঞ |
| D. প্ৰকাশ | IV. বিসৰ্জন |

তলৰ বিকল্পসমূহৰপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ:

1. A-I, B-III, C-IV, D-II
2. A-III, B-IV, C-I, D-II
3. A-III, B-IV, C-II, D-I
4. A-II, B-IV, C-I, D-III

**Options :**

2268952589846. 1

2268952589847. 2

2268952589848. 3

2268952589849. 4

**Question Number : 529 Question Id : 226895668014 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**

**Correct Marks : 5 Wrong Marks : 1**

**স্তম্ভ 'I'** ৰ সৈতে **স্তম্ভ 'II'** মিলোৱাঁ :

| **স্তম্ভ I** | **স্তম্ভ II** |
|---|---|
| A. নদী | I. অক্ষি |
| B. চকু | II. যামিনী |
| C. নিশা | III. ব্যোম |
| D. আকাশ | IV. সৰিৎ |

তলৰ বিকল্পসমূহৰপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ:

1. A-IV, B-I, C-II, D-III
2. A-II, B-I, C-IV, D-III
3. A-I, B-II, C-III, D-IV
4. A-III, B-I, C-II, D-III

**Options :**
2268952589850. 1
2268952589851. 2
2268952589852. 3
2268952589853. 4

**Question Number : 530 Question Id : 226895668015 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

**স্তম্ভ 'I'** ৰ সৈতে **স্তম্ভ 'II'** মিলোৱাঁ :

| **স্তম্ভ I** | **স্তম্ভ II** |
|---|---|
| A. উপন্যাস | I. কৃপাবৰ বৰবৰুৱাৰ কাকতৰ টোপোলা |
| B. চুটিগল্প | II. জীৱনৰ বাটত |
| C. কবিতা | III. চিঠি |
| D. ব্যংগ | IV. বিশ্বখনিকৰ |

তলৰ বিকল্পসমূহৰপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ:

1. A-II, B-IV, C-I, D-III
2. A-IV, B-III, C-I, D-II
3. A-II, B-III, C-IV, D-I
4. A-III, B-I, C-IV, D-II

**Options :**
2268952589854. 1
2268952589855. 2
2268952589856. 3
2268952589857. 4

**Question Number : 531 Question Id : 226895668016 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

'জোনাকী' আলোচনীখন ১৯৪২ চনত বন্ধ হোৱাৰ কাৰণ আছিল :

1. দ্বিতীয় বিশ্বযুদ্ধই সৃষ্টি কৰা অনাটন
2. অসমীয়া ভাষাৰ লেখক নথকা
3. অসমৰ মানুহে অসমীয়া আলোচনী নপঢ়া
4. সম্পাদকৰ মৃত্যু

**Options :**
2268952589858. 1
2268952589859. 2
2268952589860. 3
2268952589861. 4

**Question Number : 532 Question Id : 226895668017 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

নিৰ্বন্ধ শব্দৰ অৰ্থ হৈছে-

1. লালিত্য
2. আদিৰ পৰা অন্তলৈকে
3. পূৰ্বৰে পৰা চলি অহা দস্তুৰ
4. ওফন্দি উঠা

**Options :**
2268952589862. 1
2268952589863. 2
2268952589864. 3
2268952589865. 4

**Question Number : 533 Question Id : 226895668018 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

**স্তম্ভ 'I'** ৰ সৈতে **স্তম্ভ 'II'** মিলোৱাঁ :

| **স্তম্ভ I** | **স্তম্ভ II** |
|---|---|
| A. ৰূপকোঁৱৰ | I. যতীন্দ্ৰনাথ দুৱৰা |
| B. বনফুলৰ কবি | II. জ্যোতি প্ৰসাদ আগৰৱালা |
| C. বিহগী কবি | III. লক্ষ্মীনাথ বেজবৰুৱা |
| D. সাহিত্যৰথী | IV. ৰঘুনাথ চৌধাৰী |

তলৰ বিকল্পসমূহৰপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ:

1. A-I, B-III, C-IV, D-II
2. A-III, B-IV, C-I, D-II
3. A-IV, B-I, C-II, D-III
4. A-II, B-I, C-IV, D-III

**Options :**
2268952589866. 1
2268952589867. 2
2268952589868. 3
2268952589869. 4

**Question Number : 534 Question Id : 226895668019 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

'যন্ত্ৰণা মোৰ জীয়াৰ মন্ত্ৰ' - ইয়াৰ দ্বাৰা কবিয়ে তলৰ কোনটো অৰ্থ প্ৰকাশ কৰিছে ?

1. কবিয়ে যন্ত্ৰণাৰ অবিহনে জীয়াই থাকিব নোৱাৰে
2. কবিয়ে যন্ত্ৰণা ভাল পায়
3. কবিয়ে জীৱনত লাভ কৰা দুখ-যন্ত্ৰণাৰ পৰাই জীৱন যুদ্ধত চলিবলৈ শিক্ষা লাভ কৰিছে
4. যন্ত্ৰণা আৰু কবিৰ মাজত সম্পৰ্ক আছে

**Options :**
2268952589870. 1
2268952589871. 2
2268952589872. 3
2268952589873. 4

**Question Number : 535 Question Id : 226895668020 Question Type : MCQ Option Shuffling : No Display Question Number : Yes Is Question Mandatory : No**
**Correct Marks : 5 Wrong Marks : 1**

**স্তম্ভ 'I'** ৰ সৈতে **স্তম্ভ 'II'** মিলোৱাঁ :

| **স্তম্ভ I** | **স্তম্ভ II** |
|---|---|
| A. কপাল ফুলা | I. বুজন হোৱা |
| B. চকু গজা | II. মনৰ গোপন ভাব জনা |
| C. কথা গৰকা | III. সৌভাগ্য উপস্থিত হোৱা |
| D. পেট পোৱা | IV. ভাল-বেয়া যি গমি চোৱা |

তলৰ বিকল্পসমূহৰপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ:

1. A-II, B-I, C-III, D-IV
2. A-III, B-I, C-IV, D-II
3. A-IV, B-I, C-II, D-III
4. A-I. B-II, C-III, D-IV

**Options :**
2268952589874. 1
2268952589875. 2
2268952589876. 3
2268952589877. 4